**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 5-10-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ ৱাছিমৰ পোহাৰদেৱীত চাৰিমহলীয়া বঞ্জাৰা বিৰাছট সংগ্ৰহালয় আনুষ্ঠানিকভাবে উদ্বোধন কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হাৰিয়ানাৰ বিধানসভা নিৰ্বাচনত অভিলেখ সংখ্যক ভোটদানেৰে গণতন্ত্ৰৰ উৎসৱৰ অংশ হিচাপে ভাগ ল'বলৈ ৰাজ্যখনৰ জনসাধাৰণক আহ্বান জনাইছে।

৩। ছত্তিশগড়ত নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষস্থলীৰ পৰা পুনৰ তিনিজন মাওবাদীৰ মৃতদেহ উদ্ধাৰ হোৱাৰ ফলত কালি সংঘটিত এই সংঘৰ্ষত নিহত মাওবাদীৰ সংখ্যা ৩১লৈ বৃদ্ধি পালে।

৪। পাকিস্তানত ব্যাপক প্ৰতিবাদ আৰু সংঘৰ্ষকে ধৰি উত্তপ্ত পৰিস্থিতিৰ মাজতে দেশখনৰ চৰকাৰে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ৰাজধানী মহানগৰী ইছলামাবাদৰ নিৰাপত্তাৰ দায়িত্ব সেনাবাহিনীক অৰ্পন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ***আৰু***

৫। মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ দুখন খেলত অষ্ট্ৰেলিয়া শ্ৰীলংকাৰ বিৰুদ্ধে আৰু ইংলেণ্ড বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ ৱাছিমৰ পোহাৰদেৱীত বঞ্জাৰা বিৰাছট সংগ্ৰহালয়টো আনুষ্ঠানিতকভাবে উদ্বোধন কৰে। বঞ্জাৰা সম্প্ৰদায়ৰ সমৃদ্ধিশালী ঐতিহ্যক প্ৰতিফলিত কৰা এই চাৰিমহলীয়া সংগ্ৰহালয়টোত এই সম্প্ৰদায়ৰ প্ৰয়াত মহান ব্যক্তিসকলৰ ছবিকে ধৰি ভালেমান বহুমূলীয়া সম্পদ প্ৰদৰ্শিত হ'ব। ৱাছিমত উপস্থিত হোৱাৰ পাছত প্ৰধানমন্ত্ৰীয়ে আজি সন্ত সেৱালাল মহাৰাজ আৰু সন্ত ৰামৰাও মহাৰাজৰ প্ৰতি পুষ্পাঞ্জলি নিবেদন কৰে। ইয়াৰ লগতে তেওঁ পোহাৰদেৱীত অৱস্থিত জগদম্বা মন্দিৰ দৰ্শন কৰি পূজা অৰ্চনাও আগবঢ়ায়।

প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি তেওঁৰ এদিনীয়া ভ্ৰমণকালত ৫৬ হাজাৰ কোটি টকাতকৈও অধিক পৰিমাণৰ পুঁজি ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি কৰিব। ৰাজ্যখনৰ ৱাছিম আৰু থানেত আয়োজিত অনুষ্ঠিত অনুষ্ঠানত ভাগ লৈ শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী কিষান যোজনাৰ অধীনত অষ্টাদশ কিস্তিৰ পুঁজিও আনুষ্ঠানিকভাৱে মুকলি কৰি দিব। উল্লেখযোগ্য যে এই আঁচনিৰ জৰিয়তে সমগ্ৰ দেশৰ ৯ কোটি ৪০ লাখতকৈও অধিক সংখ্যক কৃষক প্ৰত্যক্ষ বিত্তীয় সুযোগৰ জৰিয়তে উপকৃত হ'ব। এই আঁচনিৰ অধীনত মুকলি কৰিবলগীয়া ধনৰ পৰিমাণ হ'ব ২০ হাজাৰ কোটি টকাতকৈও অধিক।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হাৰিয়ানাৰ বিধানসভা নিৰ্বাচনত অভিলেখ সংখ্যক ভোটদানেৰে গণতন্ত্ৰৰ উৎসৱৰ অংশ হিচাপে ভাগ ল'বলৈ ৰাজ্যখনৰ জনসাধাৰণক আহ্বান জনাইছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে প্ৰথমবাৰৰ বাবে ভোট দিবলগীয়া ৰাজ্যখনৰ যুৱ ভোটদাতাসকলৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০

হাৰিয়ানা বিধানসভাৰ এটা পৰ্যায়ৰ নিৰ্বাচনৰ আজিৰ ভোটগ্ৰহণত এই বাতৰি যুগুতোৱাৰ পৰলৈ ২২ দশমিক ৭ -০ শতাংশ ভোটদাতাই তেওঁলোকৰ ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে। আজি পুৱা ৭ বজাত আৰম্ভ হোৱা এই ভোটগগ্ৰহণ প্ৰক্ৰিয়াৰ সন্ধিয়া ৬ বজাত সামৰণি পৰিব। এই নিৰ্বাচনৰ বাবে সমগ্ৰ ৰাজ্যখনত স্থাপন কৰা মুঠ ২০ হাজাৰ ৬৩২ টা ভোটগ্ৰহণ কেন্দ্ৰত ২ কোটি ৩ লাখতকৈও অধিক সংখ্যক ভোটদাতাই এহেজাৰ ৩১ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব।

০০০০

ছত্তিশগড়ত নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষস্থলীৰ পৰা পুনৰ তিনিজন মাওবাদীৰ মৃতদেহ উদ্ধাৰ হৈছে। ইয়াকে ধৰি অবুজমাড অঞ্চলত কালি সংঘটিত এই সংঘৰ্ষত নিহত মাওবাদীৰ সংখ্যা ৩১লৈ বৃদ্ধি পালে। উল্লেখযোগ্য যে ৰাজ্যখনৰ নাৰায়ণপুৰ আৰু ডাণ্টেৱাড়া জিলা দুখনৰ সীমামুৰীয়া নেন্দুৰ-থুলথুলী বনাঞ্চলত মাওবাদী উগ্ৰপন্থীৰ দল এটাৰ সৈতে নিৰাপত্তাৰক্ষীৰ গুলীয়াগুলী সংঘটিত হৈছিল। অঞ্চলটোত মাওবাদীৰ উপস্থিতিৰ বিষয়ে চোৰাংচোৱাৰ সুত্ৰৰ পৰা পোৱা খবৰৰ ভিত্তিত জিলা সংৰক্ষিত ৰক্ষী বাহিনী আৰু বিশেষ কৰ্মবাহিনীয়ে কালি যুটীয়া অভিযান চলায়। এই সংঘৰ্ষস্থলীৰ পৰা নিৰাপত্তা বাহিনীয়ে ভালেমান অস্ত্ৰ-শস্ত্ৰ জব্দ কৰিছে। অঞ্চলটোত এতিয়াও তালাচী অভিযান চলি আছে বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

উত্তৰ কাশ্মীৰৰ কুপৱাৰা জিলাত অনুপ্ৰৱেশৰ চেষ্টা চলোৱা দুটা সন্ত্ৰাসবাদী নিৰাপত্তাৰক্ষীৰ গুলীত নিহত হয়। শ্ৰীনগৰৰ ছিনাৰ ক'ৰ সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা এটা বিভাগীয় বাৰ্তাত উল্লেখ কৰা মতে গোপন সুত্ৰৰ পৰা পোৱা খবৰ অনুসৰি কালি ভাৰতীয় সেনা আৰু জম্মু কাশ্মীৰ আৰক্ষীয়ে যুটীয়ভাৱে কুপৱাৰা জিলাৰ গুগলধাৰ অঞ্চলেৰে অনুপ্ৰবেশৰ চেষ্টা সন্দৰ্ভত অভিযান চলাইছিল। সন্ত্ৰাসবাদীয়ে অঞ্চলটোত চলোৱা সন্দেহজনক কাৰ্যকলাপৰ ভিত্তিত দুয়োপক্ষৰ মাজত গুলীয়াগুলী হয়। এই অভিযানৰ সময়ত সন্ত্ৰাসবাদী দুটা নিহত হোৱাৰ লগতে ভালেমান অস্ত্ৰ-শস্ত্ৰও উদ্ধাৰ হয়। শেহতীয়া খবৰ অনুসৰি অঞ্চলটোত তালাচী অভিযান অব্যাহতআছে। ইফালে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাই জম্মু কাশ্মীৰ, উত্তৰ প্ৰদেশ, অসম আৰু দিল্লীৰ ২২ টা স্থানত সন্ত্ৰাসবাদী সংগঠন জৈচ ই মহম্মদৰ কাৰ্যকলাপৰ সৈতে জৰিত এটা গোচৰৰ ভিত্তিত তালাচী অভিযান চলাই আছে।

০০০০০

য়েমেনৰ হাওথী নিয়ন্ত্ৰিত কেইবাটাও স্থানত আমেৰিকা আৰু বিত্ৰিছ সামৰিক বাহিনীয়ে যুটীয়াভাৱে আক্ৰমণ চলাইছে। আমেৰিকাৰ বিষয়ববীয়াসকলৰ মতে ইৰাণ সমৰ্থিত সশস্ত্ৰ সংগঠনটোৱে ব্যৱহাৰ কৰা মূল অস্ত্ৰ ব্যৱস্থা, সামৰিক ঘাটি আৰু অন্যান্য আন্তঃগাঠনিক লক্ষ্য কৰি এই আক্ৰমণ চলোৱা হৈছে। হাওথী নিয়ন্ত্ৰিত সংবাদ মাধ্যমে প্ৰকাশ কৰা খবৰ অনুসৰি হুদেইদা বিমানবন্দৰ আৰু সশস্ত্ৰ গোটৰ নিয়ন্ত্ৰণত থকা কাটাইপ অঞ্চলৰ সামৰিক ঘাটিত ৭ বাৰ আক্ৰমণ চলোৱা হৈছে। ইয়াৰ উপৰি ৰাজধানী ছানয়াৰ ছায়ান জিলাৰ বেতচৰাৰৰ স্থানত চাৰিবাব আক্ৰমণ

সংঘটিত হোৱাৰ বিপৰীতে য়েমেনৰ ধমাৰ প্ৰদেশৰ দুবাৰ আক্ৰমণ চলোৱা হয়। অঞ্চলটোত ইৰাণৰ প্ৰভাৱ বিস্তাৰ পোৱাক লৈ ৱাছিংটন আৰু লণ্ডনৰ উদ্বেগ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত এই সামৰিক পদক্ষেপ গ্ৰহণ কৰা হয়।

০০০০০

মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি নিউজিলেণ্ডৰ বিৰুদ্ধে হোৱা এখন খেলত পৰাজয়বৰণ কৰাৰ ফলত ভাৰতীয় দলটো আৰম্ভণিতে জটিল অৱস্থাৰ সন্মুখীন হৈছে।

কালিৰ খেলখনত ভাৰত নিউজিলেণ্ডৰ হাতত ৫৮ ৰানত পৰাস্ত হয়। প্ৰথমে বেট ধৰি নিউজিলেণ্ডে ৪টা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত অভাৰত ১৬১ ৰানৰ লক্ষ্য বান্ধি দিয়ে। প্ৰত্যুত্তৰত ভাৰতীয় দলটোৱে ১৯ অভাৰত মাত্ৰ ১০২ ৰানহে কৰিবলৈ সমৰ্থ হয়। নিউজিলেণ্ডৰ হৈ ৰোজ মেৰী মেয়ৰে চাৰিটা উইকেট লয়। ছোফি ডিবাইনে সৰ্বাধিক ৩৬টা বলত ৫৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰেণুকা সিঙে দুটা উইকেট লয়।

আজি বিয়লি চাৰে তিনিবজাত হ'বলগীয়া প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত অষ্ট্ৰেলিয়া শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে সন্ধিয়া চাৰে ৭ বজাত গ্ৰুপ-বিৰ এখন খেলত ইংলেণ্ড দলে বাংলাদেশৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব। দুয়োখন খেলেই শ্বাৰজাহত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে অহা ১৩ অক্টোবৰত হ'বলগীয়া এখন খেলত ভাৰত যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে কাইলৈ ভাৰতে পাকিস্তানৰ বিৰুদ্ধে এখন গুৰুত্বপূৰ্ণ খেলত অংশগ্ৰহণ কৰাৰ বিপৰীতে ৯ অক্টোবৰত হ'বলগীয়া আন এখন খেলত দলটো শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, প্লে অফৰ সুযোগ উজ্জীৱিত কৰি ৰখাৰ বাবে ভাৰতে এই আটাইকেইখন খেলতে জয়লাভ কৰাৰ লগতে নেট ৰান ৰেটো বৃদ্ধি কৰিব লাগিব।

০০০০০

**সমাপ্ত**